**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-01-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। কেন্দ্ৰীয় চৰকাৰে ২০৩০-৩১ বৰ্ষলৈ অটল পেঞ্চন যোজনা অব্যাহত ৰখাৰ প্ৰস্তাৱত অনুমোদন জনাইছে।

২। বিশ্বৰ ৰাষ্ট্ৰসমূহৰ বাবে সন্ত্ৰাসবাদৰ উমৈহতীয়া প্ৰত্যাহ্বান দূৰ কৰাৰ বাবে সহযোগিতাৰে কাম কৰাটো পূৰ্বৰ তুলনাত অধিক আৱশ্যকীয় হৈ পৰা বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে মন্তব্য কৰিছে।

৩। ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে মেঘালয়, ত্ৰিপুৰা আৰু মণিপুৰৰ ৰাজ্য প্ৰতিষ্ঠা দিৱস উপলক্ষে ৰাজ্যকেইখনৰ জনসাধাৰণলৈ ওলগ জনাইছে।

৪। জাপানৰ এখন আদালতে ২০২২ চনত প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বিন্‌জো আবেৰ হত্যাৰ গোচৰত টেৎচুয়া য়ামাগামিক যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰিছে।

আৰু

৫। নাছাত সুদীৰ্ঘ ২৭ বছৰ সেৱা আগবঢ়াই ভাৰতীয় মূলৰ মহাকাশচাৰী সুনীতা উইলিয়ামছে অৱসৰ গ্ৰহণ কৰিছে।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰে ২০৩০-৩১ বৰ্ষলৈ অটল পেঞ্চন যোজনা অব্যাহত ৰখাৰ প্ৰস্তাৱত অনুমোদন জনাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত আজি নতুন দিল্লীত অনুষ্ঠিত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকত এই সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ কৰা হয়। অসংগঠিত খণ্ডৰ শ্ৰমিকসকলৰ বাবে বৃদ্ধ বয়সত আয় সুনিশ্চিত কৰাৰ উদ্দেশ্যে ২০১৫ চনৰ মে'ত এই আঁচনিখন মুকলি কৰা হৈছিল। এই আঁচনিখনৰ অধীনত উপভোক্তাৰ অৱদানৰ ভিত্তিত ৬০ বছৰৰ পাছত প্ৰতিমাহে এহেজাৰৰ পৰা পাঁচ হাজাৰ টকাৰ পেঞ্চন প্ৰদান কৰা হয়। এই আঁচনিখনৰ অধীনত বৰ্তমানলৈকে ৮ কোটি ৬৬ লাখ উপভোক্তাই নাম পঞ্জীয়ন কৰিছে।

০০০০০০০০০

বিশ্বৰ ৰাষ্ট্ৰসমূহৰ বাবে সন্ত্ৰাসবাদৰ উমৈহতীয়া প্ৰত্যাহ্বান দূৰ কৰাৰ বাবে সহযোগিতাৰে কাম কৰাটো পূৰ্বৰ তুলনাত অধিক আৱশ্যকীয় হৈ পৰা বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে মন্তব্য কৰিছে। নতুন দিল্লীত আজি স্পেইনৰ বিদেশ মন্ত্ৰী জোছ মেনুৱেল অল্‌বেৰেছৰ সৈতে হোৱা আলোচনাৰ সময়ত ড° জয়শংকৰে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে ভাৰত আৰু স্পেইন উভয়ে সন্ত্ৰাসবাদৰ বলি হৈছে। তেওঁ লগতে গোলকীয় ব্যৱস্থালৈ পৰিৱৰ্তন আহিছে আৰু বিশ্বই সন্ত্ৰাসবাদৰ প্ৰতি শূন্য সহনশীলতাৰ নীতি গ্ৰহণ কৰা উচিত।

বাইট (জয়শংকৰ)

ড° জয়শংকৰে কয়, যে নতুন দিল্লীত অহা মাহত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰভাৱ শীৰ্ষ সন্মিলন, ২০২৬ অনুষ্ঠিত হ'ব। তেওঁ কয়, যে কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰতি ভাৰতৰ দৃষ্টিভংগী- মানৱ কেন্দ্ৰিক, সৰ্বাত্মক আৰু উত্তৰ দায়িত্ব তথা নৈতিক প্ৰমূল্যৰ ওপৰত আধাৰিত। এই দৃষ্টিভংগী আৰু ইউৰোপৰ দৃষ্টিভংগীৰ মাজত যথেষ্ট সাদৃশ্য আছে বুলি তেওঁ মন্তব্য কৰে। ড° জয়প্ৰকাশে কয়, যে ভাৰত আৰু স্পেইনে ২০২৬ বৰ্ষক সংস্কৃতি, পৰ্যটন আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ দ্বৈতবৰ্ষ হিচাপে ঘোষণা কৰিছে। তেওঁ কয়, যে এইবছৰ ভাৰত আৰু স্পেইনৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপনৰ ৭০ বছৰ সম্পূৰ্ণ হৈছে। দুয়ো দেশৰ মাজত উমৈহতীয়া গণতান্ত্ৰিক প্ৰমূল্য আৰু বহুত্ববাদৰ প্ৰতি সন্মানৰ ভিত্তিত ঘনিষ্ঠ সম্পৰ্ক আছে বুলি তেওঁ উল্লেখ কৰে।

০০০০০০০০০

মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে বুথ পৰ্যায়ৰ বিষয়াসকলক দেশৰ নিৰ্বাচনী গণতন্ত্ৰৰ মূল ভেটি হিচাপে অভিহিত কৰিছে। নতুন দিল্লীত অনুষ্ঠিত ভাৰত আন্তঃৰাষ্ট্ৰীয় গণতন্ত্ৰ আৰু নিৰ্বাচন ব্যৱস্থাপনা সন্মিলনত ভাষণ দি শ্ৰী কুমাৰে কয়, যে

ভাৰত গণতন্ত্ৰৰ মাতৃ স্বৰূপ আৰু প্ৰতিগৰাকী যোগ্য ভোটদাতাৰ অন্তৰ্ভুক্তিৰে নিৰপেক্ষ ভোটাৰ তালিকা প্ৰস্তুত কৰাটো গণতন্ত্ৰৰ সৰলীকৰণৰ বাবে অতিকে জৰুৰী।

বাইট

এই তিনিদিনীয়া সন্মিলনত গণতান্ত্ৰিক ব্যৱস্থা আৰু নিৰ্বাচন প্ৰক্ৰিয়াৰ সৈতে জড়িত ৰণকৌশল সম্পৰ্কে বিশদভাৱে আলোচনা কৰা হ'ব। বিশ্বৰ বিভিন্ন প্ৰান্তৰ ৭০ খন দেশৰ প্ৰায় ১০০ আন্তঃৰাষ্ট্ৰীয় প্ৰতিনিধিয়ে এই সন্মিলনত ভাগ লৈছে। ইয়াৰ ভিতৰত আন্তঃৰাষ্ট্ৰীয় সংস্থা, ভাৰতত থকা বিদেশী মিছনৰ মুৰব্বী, শিক্ষা জগতৰ বিদ্বান আৰু নিৰ্বাচনী ব্যৱস্থাপনাৰ সৈতে জড়িত ক্ষেত্ৰ বিশেষজ্ঞসকল আছে।

০০০০০০০০০

ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে মেঘালয়, ত্ৰিপুৰা আৰু মণিপুৰৰ ৰাজ্য প্ৰতিষ্ঠা দিৱস উপলক্ষে ৰাজ্যকেইখনৰ জনসাধাৰণলৈ ওলগ জনাইছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয়, যে ৰাজ্যকেইখন চহকী সাংস্কৃতিক ঐতিহ্য, প্ৰাণৱন্ত পৰম্পৰা আৰু মনোমোহা প্ৰাকৃতিক সৌন্দৰ্যৰে সমৃদ্ধ। তেওঁ কয়, যে ৰাজ্য কেইখনৰ উদ্যমী আৰু প্ৰতিভাবান জনসাধাৰণে দেশৰ প্ৰগতিৰ অভূতপূৰ্ব বৰঙণি আগবঢ়ায় আহিছে। তেওঁ লগতে ৰাজ্যকেইখনৰ জনসাধাৰণৰ বাবে শান্তি আৰু সমৃদ্ধিৰে ভৰা ভৱিষ্যত কামনা কৰে।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে তেওঁৰ বাৰ্তাত কয়, যে ৰাজ্য কেইখনে তেওঁলোকৰ চহকী সাংস্কৃতিক ঐতিহ্য, অনন্য পৰম্পৰা আৰু ভাষিক বিচিত্ৰতাৰে দেশৰ এনাজৰী সুদৃঢ় কৰিছে। শ্ৰী ৰাধাকৃষ্ণণে লগতে এই প্ৰাণৱন্ত ৰাজ্যকেইখনে সৰ্বাত্মক বিকাশ, সাংস্কৃতিক সমৃদ্ধি আৰু বহনক্ষম উন্নয়নেৰে আগলৈও দেশৰ প্ৰগতিত অৱদান আগবঢ়াই যাব বুলি আশা কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয়, যে মেঘালয়ৰ জনসাধাৰণে দেশৰ উন্নয়নত অভূতপূৰ্ব বৰঙণি আগবঢ়াই আহিছে। ৰাজ্যখনৰ প্ৰাণৱন্ত সংস্কৃতি আৰু মনোমোহা প্ৰাকৃতিক সৌন্দৰ্যই সকলোকে আকৰ্ষণ কৰি আহিছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ লগতে ৰাজ্যখনে ভৱিষ্যতেও উন্নয়নৰ নতুন শিখৰত উপনীত হ'বলৈ সমৰ্থ হ'ব বুলি আশা প্ৰকাশ কৰে। অন্য এটা বাৰ্তাযোগে ত্ৰিপুৰাৰ জনসাধাৰণক ওলগ জনাই প্ৰধানমন্ত্ৰীয়ে কয়, যে ৰাজ্যখনৰ যাত্ৰা পৰম্পৰা আৰু আধুনিকতাৰ অপূৰ্ব সমাহাৰেৰে ভৰা। তেওঁ কয়, যে ৰাজ্যখনে বিভিন্ন ক্ষেত্ৰত ৰূপান্তৰ প্ৰত্যক্ষ কৰিছে আৰু ইয়াৰ জনসাধাৰণে দেশৰ বিকাশ যাত্ৰাত নতুন গতি প্ৰদান কৰিছে। তেওঁ লগতে অনাগত সময়ৰ ৰাজ্যখন সমৃদ্ধিৰ নতুন শিখৰত উপনীত হ'বলৈ সমৰ্থ হ'ব বুলি আশা প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰীয়ে সুকীয়া ৰাজ্য গঠন দিৱস উপলক্ষে মণিপুৰৰ জনসাধাৰণক ওলগ জনাই কয়, যে ৰাজ্যখনৰ জনসাধাৰণে দেশৰ প্ৰগতিত যথেষ্ট অৰিহণা আগবঢ়াই আহিছে। তেওঁ কয়, যে ক্ৰীড়া, সংস্কৃতি আৰু প্ৰকৃতিৰ প্ৰতি ৰাজ্যখনৰ আগ্ৰহ লেখত ল'বলগীয়া শ্ৰী মোদীয়ে লগতে আগলৈও ৰাজ্যখন উন্নয়নৰ যাত্ৰাত আগবাঢ়ি যাব বুলি আশা প্ৰকাশ কৰে।

০০০০০০০০০

নতুন দিল্লীৰ কৰ্তব্যপথত হ'বলগীয়া ৭৭ সংখ্যক গণৰাজ্য দিৱসৰ পেৰেড প্ৰত্যক্ষ কৰাৰ বাবে প্ৰায় ১০ হাজাৰ বিশেষ অতিথিক আমন্ত্ৰণ জনোৱা হৈছে বুলি প্ৰতিৰক্ষা মন্ত্ৰালয়ে সদৰি কৰিছে। অতিথিসকলৰ ভিতৰত আয় আৰু কৰ্মসংস্থাপন সৃষ্টিৰ ক্ষেত্ৰত দৃষ্টান্তমূলক কাম কৰা ব্যক্তি, শ্ৰেষ্ঠ উদ্ভাৱক, ষ্টাৰ্টআপ, আত্মসহায়ক গোট আৰু বিভিন্ন চৰকাৰী পদক্ষেপৰ অধীনত শ্ৰেষ্ঠত্ব প্ৰদৰ্শন কৰা ব্যক্তিসকল আছে। ৰাষ্ট্ৰ নিৰ্মাণ আৰু সাধাৰণ জনতাৰ বাবে বিভিন্ন উন্নয়নমূলক কাম কৰা ব্যক্তিসকলৰ অৱদানক সন্মান জনোৱাৰ উদ্দেশ্যে তেওঁলোকক বিশেষ অতিথি হিচাপে এই অনুষ্ঠানলৈ আমন্ত্ৰণ জনোৱা হৈছে। বিশেষ অতিথিসকলৰ ভিতৰত বিশ্ব এথলেটিকছ্ পেৰা চেম্পিয়নশ্বিপৰ বিজয়ী, প্ৰধানমন্ত্ৰী স্মাইল আঁচনিৰ অধীনত পুনৰ সংস্থাপন লাভ কৰা তৃতীয় লিংগ আৰু মগনীয়া, প্ৰাকৃতিকভাৱে কৃষি কাৰ্য সম্পাদন কৰা খেতিয়কসকল আছে।

০০০০০০০০০

জাপানৰ এখন আদালতে ২০২২ চনত প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বিন্‌জো আবেৰ হত্যাৰ গোচৰত টেৎচুয়া য়ামাগামিক যাৱজ্জীৱন কাৰাদণ্ডেৰে দণ্ডিত কৰিছে। য়ামাগামিয়ে নাৰাৰ নিৰ্বাচনী সভাত ভাষণ দিয়াৰ সময়ত আবেক গুলীয়াই হত্যা কৰাৰ কথা স্বীকাৰ কৰিছে আৰু অপৰাধীজনৰ জিম্মাৰ পৰা এটা হস্তনিৰ্মিত বন্দুক উদ্ধাৰ কৰা হৈছিল। আৰক্ষীয়ে পাছত য়ামাগামিৰ এপাৰ্টমেণ্টৰ পৰা এইধৰণৰ অন্য অস্ত্ৰ উদ্ধাৰ কৰিছিল। আবেক ভাষণ আৰম্ভ হোৱাৰ কিছু সময়ৰ পাছতে গুলীওৱা হৈছিল। তেওঁক হেলিকপ্টাৰেৰে চিকিৎসালয়লৈ নিয়া হৈছিল যদিও চিকিৎসালয়ত তেওঁৰ মৃত্যু হৈছিল।

০০০০০০০০০

মহিলা প্ৰিমিয়াৰ লীগ ডব্লিউ পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ বদোদৰাৰ বি চি এ ষ্টেডিয়ামত কালি নিশা অনুষ্ঠিত লীগ পৰ্যায়ৰ এখন খেলত দেলহী কেপিটেলছে মুম্বাই ইণ্ডিয়ানছক ৭ উইকেটত পৰাস্ত কৰে। টছত জয়লাভ কৰি দেলহী কেপিটেলছে প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়। মুম্বাই ইণ্ডিয়ানছে প্ৰথমে বেট ধৰি দেলহী কেপিটেলছক জয়ৰ বাবে ১৫৫ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে। প্ৰত্যুত্তৰত দেলহী কেপিটেলছে ১৯ অভাৰত তিনিটা উইকেটৰ বিনিময়ত বিজয় সাব্যস্ত কৰে। দেলহী কেপিটেলছৰ অধিনায়ক জেমিমা ৰোড্ৰিগছক প্লেয়াৰ অৱ মেচ ঘোষণা কৰা হয়।

উল্লেখযোগ্য যে ২০২৬ বৰ্ষৰ ডব্লিউ পি এল প্ৰতিযোগিতা এইবেলি দুখন মহানগৰীত খেলোৱা হৈছে। নৱী মুম্বাইত অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰথম পৰ্যায়ৰ খেলৰ সামৰণিত অংশগ্ৰহণকাৰী পাঁচোটা দলেই দ্বিতীয় পৰ্যায়ৰ বাবে সম্প্ৰতি গুজৰাটত উপস্থিত হৈছেগৈ।

০০০০০০০

সমাপ্ত